**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-03-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী-বিষয়াসকলৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ ফলত সদ্য সমাপ্ত দ্বিতীয় এডভাণ্টেজ আছামত বহুকেইখন বিদেশী ৰাষ্ট্ৰই অংশগ্ৰহণ কৰি ৰাজ্যত বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেল সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে জাপান, মালয়েছিয়া, কোৰিয়া, ছিংগাপুৰ, থাইলেণ্ড, গ্ৰেট ব্ৰিটেইন আৰু সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰকে ধৰি বিভিন্ন ৰাষ্ট্ৰৰ মুখ্য অংশীদাৰসকলৰ সৈতে ১৮০ খনতকৈও অধিক বৈঠক অনুষ্ঠিত হৈছিল। ইয়াৰ ফলত এই শীৰ্ষ সন্মিলনত এহেজাৰ ১০০ ৰো অধিক আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে অংশ লোৱা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত প্ৰথমবাৰৰ বাবে বিদেশী বিনিয়োগ হৈছে বুলি উল্লেখ কৰি কয়, যে এই সন্মিলনত ৰাজ্যৰ ঔদ্যোগীক খণ্ডত ৪১০ কোটি টকা, পশুপালন খণ্ডত ৩০০ কোটি টকা আন্তৰ্জাতিক গোটে বিনিয়োগ কৰিছে।

ড০ শৰ্মাই আজি পৰ্যন্ত জনসাধাৰণৰ বাবে মুকলি থকা এডভাণ্টেজ আছামৰ প্ৰদৰ্শনীখনৰ কথা উল্লেখ কৰি কয়, যে এই প্ৰদৰ্শনীত ২০০ ৰো অধিক বিপণীৰ জৰিয়তে ৰাজ্যৰ বিকাশ আৰু উদ্ভাৱনৰ অনন্য দিশসমূহ প্ৰদৰ্শন কৰা হৈছে।

০০০০০

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিচাযুক্ত সামগ্ৰীসহ কেইবাজনো অবৈধ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। কালি লখিমপুৰ জিলাৰ লালুক আৰু হাৰমতী আৰক্ষীয়ে অভিযান চলাই হাৰমতীত মাদকদ্ৰব্যসহ এজন লোকক আটক কৰে। হাৰমতী উৰণ সেতুৰ কাষত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত খাৰুপেটীয়াৰ দিশৰ পৰা নিচাযুক্ত সামগ্ৰী লৈ আহি থকা অৱস্থাত আৰক্ষীয়ে সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰি প্ৰায় ৮৫ লাখ টকা মূল্যৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ অন্তৰ্গত বিশ্বনাথ ঘাট ৰোডতো আজি নিচাযুক্ত সামগ্ৰীসহ তিনিগৰাকী সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰী কেইজনৰ পৰা ১৩ টা মাদক দ্ৰব্যৰ বাকচ জব্দ কৰা হয়।

০০০০০

বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি চলাই থকা মাজুলী জিলাৰ শিক্ষাৰ্থীসকলৰ সমস্যাসমূহ দূৰ কৰিবৰ বাবে জিলা আয়ুক্তৰ প্ৰত্যক্ষ তত্বাৱধানত কালি গড়মূৰ মহকুমা পুথিভঁৰালত অন্বেষণ নামেৰে এটা অধ্যয়ন কেন্দ্ৰৰ সূচনা কৰা হয়। বিধায়ক ভূৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, আৰক্ষী অধীক্ষক

বিবেকানন্দ দাস আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়াৰ উপস্থিতিত আয়োজিত উদ্বোধনী অনুষ্ঠানত ভালেসংখ্যক শিক্ষাৰ্থী আৰু প্ৰশিক্ষাৰ্থী উপস্থিত থাকে। বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা প্ৰদৰ্শন কৰি জিলাখনত কৰ্মৰত হৈ থকা বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে এই অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে শিক্ষাৰ্থীসকলক সঠিক পথ প্ৰদৰ্শনৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াব।

ooooo

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কালি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল।

যোৰহাট জিলাৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, চি এছ্ আই আৰ-নিষ্টত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আয়োজন কৰা যুৱ বিজ্ঞান সমাৰোহত কালি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশ লয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত গৱেষণা পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে চি এছ্ আই আৰৰ দৰে আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠানসমূহক এই ক্ষেত্ৰত মহাবিদ্যালয়সমূহক সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। জিলাখনৰ বাহনা মহাবিদ্যালয়ত আজি এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ হাতীজান গাঁৱৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড০ ৰাজীৱ বৰদলৈয়ে নৱপ্ৰজন্মৰ মনত বৈজ্ঞানিক মানসিকতাৰ কেনেদৰে বিকাশ কৰিব পাৰি সেই বিষয়ত বক্তব্য আগবঢ়ায়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমূৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

ooooo

ৰাজ্যখনৰ সংবাদ জগতত এটা পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ

হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব আজি নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

সমাপ্ত